জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৪৯/২০২১

<u>অতিৰিক্ত উপায়ুক্ত আৰু চক্ৰ বিষয়াৰ সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# মিছন বসুন্ধৰাৰ জৰিয়তে জনতাক অধিক সৰলীকৰণ কৰিব বিচৰা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা দুদিনীয়া অতিৰিক্ত উপায়ুক্ত (ৰাজহ), চক্ৰ বিষয়া আৰু চক্ৰ বিষয়া (সংলগ্ন) ৰ সন্মিলনৰ দ্বিতীয় দিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

এই সন্মিলনত অহা ২ অক্টোবৰৰ পৰা আৰম্ভ কৰিবলগীয়া মিছন বসুন্ধৰাৰ ৰূপায়ণ, এই ক্ষেত্ৰত আহিব পৰা বাধাসমূহ আৰু আন্তঃগাঁথনিমূলক সমস্যা, প্ৰয়োজনীয় কৰ্মচাৰী, প্ৰান্তীয় অঞ্চলত ইণ্টাৰনেট সেৱা ইত্যাদি বিষয়সমূহ আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয় যে অনলাইন ভূমি ৰেকৰ্ড উন্নীতকৰণ, ভূমি পৰিৱৰ্তন, ভূমি ৰূপান্তৰ ইত্যাদি ১০ টা সেৱা এই আঁচনিৰ জৰিয়তে সামৰি লোৱা হ'ব আৰু মিছন বসুন্ধৰা আঁচনিখন সময় নিৰ্দ্ধাৰিতভাৱে ৰূপায়ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে চক্ৰ বিষয়াসকললৈ সকলো ধৰণৰ সুবিধা আগবঢ়াব। ২০২৩ চনৰ ডিচেম্বৰৰ ভিতৰত ৰাজ্যখনত ভূমি ৰেকৰ্ডসমূহ সম্পূৰ্ণৰূপে ডিজিটাইজেশ্যন কৰিবলৈ বিচৰা হৈছে আৰু 'নন-কেডেষ্ট্ৰল' গাঁওসমূহৰ জৰীপ কৰাটো এই অভিযানৰ অন্যতম উদ্দেশ্য বুলিও তেওঁ কয়।

জনসাধাৰণে চক্ৰ বিষয়াৰ কাৰ্যালয়লৈকে নহাকৈ ভূমি সম্পৰ্কীয় কাম-কাজসমূহ যাতে কৰিব পাৰে সেই উদ্দেশ্যৰে ৰাজ্য চৰকাৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অভিযানে প্ৰায় ৪ লাখ একচনীয়া ভূমিক ম্যাদী পট্টালৈ ৰূপান্তৰ কৰাৰ প্ৰক্ৰিয়াটো দ্ৰুত কৰিব। জনসাধাৰণে ভূমি পৰিৱৰ্তন, ভূমি তথ্যপাতি উন্নীতকৰণৰ বাবে অনলাইন আবেদন কৰিব পাৰিব আৰু লগতে তেওঁলোকৰ অভিযোগসমূহ অনলাইনত পঞ্জীয়ন কৰিব পাৰিব। কোনো ধৰণৰ আপত্তি নথকা গোচৰসমূহ মিছন বসুন্ধৰাৰ জৰিয়তে দ্ৰুত গতিত নিষ্পত্তি কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে এই ব্যৱস্থাটোৰ জৰিয়তে মধ্যভোগীক আঁতৰ কৰিব পৰা যাব আৰু কোনোধৰণৰ বাধা নথকাকৈ ভূমি সম্পৰ্কীয় কাম-কাজসমূহ সাধাৰণৰ জনতাই কৰিব পাৰিব। ইয়ে জনসাধাৰণক অধিক সৰলীকৰণ কৰি তুলিব বুলিও মন্তব্য কৰি তেওঁ কয় যে চক্ৰ বিষয়াৰ কাৰ্যালয়সমূহৰ কাম-কাজসমূহ অধিক নিকা আৰু স্বচ্ছ কৰাৰ বাবে মিছন বসুন্ধৰা অভিযান লোৱা হৈছে। তেওঁ লগতে কয় যে যদি কোনো মধ্যভোগীয়ে কাৰ্যালয়ত প্ৰৱেশৰ সুবিধা লাভ কৰে তেন্তে তেনে চক্ৰ বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

আজিৰ এই সন্মিলনত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, মুখ্য সচিব জিষ্ণু বৰুৱা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৰন্নন, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া জি ডি ত্ৰিপাঠী আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**
**০৭/০৯/২০২১**